**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-10-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আকাশবাণীৰ জনপ্ৰিয় অনুষ্ঠান মন কী বাতে আজি ১০ বছৰ সম্পূৰ্ণ কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাজস্থানৰ উদয়পুৰৰ মোহনলাল সুখাদিয়া বিশ্ববিদ্যালয়ৰ ৩২ সংখ্যক সমাৱৰ্তনত অংশগ্ৰহণ কৰিছে।

৩। হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি অন্ত পৰিব। শনিবাৰে ৰাজ্যখনৰ ৯০টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

৪। ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্টনিঅ' গুটাৰেছে ইজৰাইল আৰু হিজবুল্লাৰ মাজত সংঘাত অব্যাহত থকাৰ মাজতে ভাৰতে লেবাননত শান্তিৰক্ষী বাহিনী প্ৰেৰণ কৰাৰ বাবে ভাৰতৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে।

আৰু

৫। আই এছ এল ফুটবল প্ৰতিযোগিতাত আজি ভূবনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত ওড়িশা এফ চি - কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ মুখামুখি হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আকাশবাণীৰ জনপ্ৰিয় অনুষ্ঠান মন কী বাতে আজি ১০ বছৰ সম্পূৰ্ণ কৰে। ২০১৪ চনৰ আজিৰ দিনটোতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি জনসাধাৰণৰ মনৰ ভাব ব্যক্ত কৰিছিল। এই ১০ বছৰৰ যাত্ৰাত প্ৰধানমন্ত্ৰীয়ে সামাজিক, সাংস্কৃতিক, পৰিৱেশ আৰু আচৰণ আদিৰ বিষয়সমূহৰ ক্ষেত্ৰত দেশৰ জনসাধাৰণৰ মাজত ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। দেশৰ জনসাধাৰণ আৰু প্ৰধানমন্ত্ৰীৰ মাজত যোগসূত্ৰ স্থাপনৰ ক্ষেত্ৰত মন কী বাত কাৰ্যসূচী এটা গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে বিবেচিত হৈছে। মন কী বাতৰ বিগত মাহৰ খণ্ডত প্ৰধানমন্ত্ৰীয়ে কয় যে এই কাৰ্যসূচীৰ ১০ বছৰীয়া যাত্ৰাই মন কী বাতৰ প্ৰতিটো খণ্ডই এটা নতুন অভিলেখ, নতুন গাঁথা সৃষ্টি কৰিবলৈ সক্ষম হয়। তেওঁ কয় যে যেতিয়া সমাজৰ বাবে কিছুমান উল্লেখনীয় কাম কৰা হয়, তেতিয়া মন কী বাতৰ জৰিয়তে স্বীকৃতি লাভ কৰা যায়। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে মন কী বাতৰ শ্ৰোতাসকলেই হৈছে এই কাৰ্যসূচীৰ প্ৰকৃত অনুপ্ৰেৰণা।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আৰম্ভ হোৱা নৱৰাত্ৰি উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে দুৰ্গতিনাশিনীৰ বন্দনাৰ এনেধৰণৰ পৱিত্ৰ উৎসৱে সকলোৰে বাবে বিশেষ তাৎপৰ্য বহন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে নৱৰাত্ৰিৰ প্ৰথম দিনটো মা শৈলপুত্ৰীক প্ৰাৰ্থনা জনোৱা হয়। তেওঁ দুৰ্গতিনাশিনীয়ে সকলোকে শুভাশিষ প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰাৰ লগতে দেশৰ জনসাধাৰণৰ কল্যাণৰ বাবে তেওঁৰ চৰণত প্ৰাৰ্থনা জনাইছে বুলি অৱগত কৰে।

00000000

কেন্দ্ৰীয়শাসিত অঞ্চল জম্মু-কাশ্মীৰত ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে নৱৰাত্ৰি পালন কৰা হৈছে। আজি পুৱাৰে পৰা জম্মুৰ কাট্ৰাৰ বৈষ্ণুদেৱী মন্দিৰত ভক্তসকলে শ্ৰদ্ধা জ্ঞাপন কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তসকলে জম্মু-কাশ্মীৰৰ ৰিছি জিলাৰ ত্ৰিকুটা পাহাৰৰ পৱিত্ৰ গুহাত থকা বৈষ্ণুদেৱী মন্দিৰত মা-দুৰ্গা, মহাকালী আৰু সৰস্বতীৰ ৰূপত আৰাধনা কৰা হয়।

oooooooo

রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ছাত্ৰ-ছাত্ৰীসকলক জীৱনত তেওঁলোকৰ চৰিত্ৰ হানি হোৱা কাৰ্য নকৰিবলৈ আহ্বান জনাইছে। তেওঁ ব্যৱহাৰত আৰু দৈনন্দিন জীৱনত নৈতিক মূল্যসমূহ মানি চলিবলৈ আহ্বান জনাইছে। আজি ৰাজস্থানৰ উদয়পুৰৰ মোহনলাল সুখাদিয়া বিশ্ববিদ্যালয়ৰ ৩২ সংখ্যক সমাৱৰ্তনত অংশগ্ৰহণ কৰিছে। দুদিনীয়া ভ্ৰমণসূচীৰে আজি পুৱাৰ ভাগত তেওঁ ৰাজস্থানৰ উদয়পুৰত উপস্থিত হয়। কাইলৈ ৰাষ্ট্ৰপতিগৰাকী মাউণ্ট আবুট প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ে আয়োজন কৰা এখন আন্তৰ্জাতিক সন্মিলনত উপস্থিত থাকিব। ৰাজস্থান চৰকাৰৰ উদ্যোগত আয়োজিত আদি গৌৰৱ সন্মান সমাৰোহতো ৰাষ্ট্ৰপতিগৰাকীয়ে অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে একবিংশ শতিকাত প্ৰতিটো ক্ষেত্ৰতে ক্ষিপ্ৰ পৰিৱৰ্তন হৈছে বুলি মত প্ৰকাশ কৰে। শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰতো এই পৰিৱৰ্তন হৈছে বুলি প্ৰকাশ কৰে। তেওঁৰ শিক্ষাৰ মান অৰ্থবহ কৰি তোলাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সময়ৰ সদ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। শ্ৰীমতী মুৰ্মুৱে সামাজিক আৰু ব্যক্তিগত জীৱনৰ মাজত সমতা ৰক্ষা কৰি চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ২০৪৭ চনত আমাৰ দেশে উন্নত দেশ হিচাপে উপনীত হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। যুৱ প্ৰজন্মৰ অৱদানৰ জৰিয়তে দেশৰ এই লক্ষ্য পূৰণ হ'ব। শ্ৰীমতী মুৰ্মুৱে সমাজৰ প্ৰতিটো ক্ষেত্ৰতে মহিলাসকল আগবাঢ়ি যোৱাটো দেশৰ আৰু সমাজৰ বাবে গৌৰৱৰ বিষয় বুলি অভিহিত কৰিছে। আজিৰ অনুষ্ঠানত ৰাজস্থানৰ ৰাজ্যপাল হৰিভাও বাগডে, পাঞ্জাৱৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া আৰু ৰাজস্থানৰ উপ-মুখ্যমন্ত্ৰী প্ৰেমচান্দ বাইৰ্ৱা উপস্থিত থাকে।

ooooooooo

মহাত্মা গান্ধীৰ জয়ন্তীৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰসংঘই কালি আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস পালন কৰে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুট্টাৰেছে কয় যে ইউক্ৰেইনৰ পৰা ছুডান, পশ্চিম এছিয়াকে ধৰি বিভিন্ন ধ্বংসাত্মক কাৰ্যকলাপৰ মাজতে এই দিৱস পালন কৰা হয়। তেওঁ কয় যে মহাত্মা গান্ধীয়ে অস্ত্ৰ-শস্ত্ৰৰ ক্ষমতাৰ বিপৰীতে মানৱতাৰ বাবে অহিংসাই পৰম ধৰ্ম বুলি বিশ্বাস কৰিছিল। ৰাষ্ট্ৰসংঘৰ সূচী আৰু গান্ধীৰ মতাদৰ্শ সন্দৰ্ভত আয়োজন কৰা বৈঠকত সাধাৰণ সভাৰ সভাপতি ফিল'মেন য়াঙে কয় গান্ধীৰ সত্যাগ্ৰহৰ ধাৰণাই দক্ষিণ আফ্ৰিকাত নেলচন মেণ্ডেলা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত মাৰ্টিন লুথাৰকিং জুনিয়ৰক প্ৰভাৱিত কৰিছিল। তেওঁলোকে গান্ধীজীৰ সত্যাগ্ৰহৰ শিকনিসমূহে সত্য আৰু ন্যায়ক প্ৰভাৱিত কৰিছিল বুলি প্ৰকাশ কৰে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে মহাত্মা গান্ধীয়ে ধৰ্মৰ পৰা শক্তি, বল প্ৰয়োগ কৰি নহয়, সত্যৰ পৰা ক্ষমতা আৰু দমনৰ জৰিয়তে নহয়, নৈতিক সাহসৰ জৰিয়তে বিজয় সাব্যস্ত কৰিব পৰাৰ বিশ্বাসৰ কথাই ভাৰতক প্ৰতিফলিত কৰে বুলি অৱগত কৰে। শ্ৰীলংকা, ভিয়েটনাম আৰু জামাইকাকে ধৰি ৰাষ্ট্ৰসংঘৰ প্ৰতিনিধিসকলে মহাত্মা গান্ধীৰ অৱদানৰ কথা সোঁৱৰে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই মহাত্মা গান্ধীৰ জয়ন্তীত আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস হিচাপে ঘোষণা কৰি শিক্ষা আৰু ৰাজহুৱা সজাগতাৰ জৰিয়তে অহিংসাক প্ৰতিষ্ঠিত কৰিব পৰা যায় বুলি অৱগত কৰে।

ooooooooo

———হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি অন্ত পৰিব। শনিবাৰে ৰাজ্যখনৰ ৯০টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনটোতে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰো ভোটগণনা ৮ অক্টোবৰত সম্পন্ন হ'ব। প্ৰচাৰৰ আজি অন্তিম দিনা উত্তৰ প্ৰদেশৰ মুখ্য মন্ত্ৰী যোগী আদিত্য নাথে কালায়াত আৰু ছফিড' বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আমবালা বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ হৈ এটা পথ শোভাযাত্ৰাত অংশগ্ৰহণ কৰাৰ লগতে এখন ৰাজহুৱা সভাত অংশ ল'ব। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কেইবাটাও বিধানসভা সমষ্টিত নিজৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। ইফালে, ইণ্ডিয়ান নেচনেল লোক দলৰ নেতা অভয় সিং চৌতালাইও দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশ লৈছে।

নিৰ্বাচন আয়োগে ৫ অক্টোবৰৰ সন্ধিয়া চাৰে ৬ বজা পৰ্যন্ত একজিট পুল প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিছে। ছপা মাধ্যম, বৈদ্যুতিন সংবাদ মাধ্যম বা আন কোনো সংস্থাই নিৰ্ধাৰিত সময়তকৈ পূৰ্বে একজিট পুল প্ৰকাশ কৰিব নোৱাৰিব।

০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্টনিঅ' গুটাৰেছে ইজৰাইল আৰু হিজবুল্লাৰ মাজত সংঘাত অব্যাহত থকাৰ মাজতে ভাৰতে লেবাননত শান্তিৰক্ষী বাহিনী প্ৰেৰণ কৰাৰ বাবে ভাৰতৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছে। পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত কালি সুৰক্ষা পৰিষদৰ এখন জৰুৰী বৈঠকত শ্ৰী গুটাৰেছে কয় যে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী বাহিনীয়ে লেবাননত সেৱা অব্যাহত ৰাখিছে। তেওঁ ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী বাহিনীৰ সামৰিক আৰু অসামৰিক সদস্যসকলক দেশসমূহত সেৱা প্ৰদান কৰাৰ অৱদানক প্ৰশংসা কৰিছে। ভাৰতৰ প্ৰায় ৯০০ নিৰাপত্তাৰক্ষীয়ে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী বাহিনীত সেৱা আগবঢ়াই আছে।

০০০০০০০০০

বিহাৰৰ ভালেমান অঞ্চলত কেইবাখনো নৈৰ জলপৃষ্ঠ বৰ্তমান বিপদসীমাৰ ওপৰেৰে বৈ আছে। ৰাজ্যখনৰ গন্দক, কোচি, মহানন্দা, বাগমতি আৰু আন নৈৰ জলপৃষ্ঠ বৃদ্ধি হোৱাৰ ফলত ১৭ খন জিলাৰ ১৫লাখ লোক ক্ষতিগ্ৰস্ত হৈছে।

০০০০০০০০০

বিজেপিয়ে আজি অভিযোগ কৰি কৈছে যে দিল্লীত কালি উৎখাত কৰা ড্ৰাগছ চিণ্ডিকেটৰ মূল অভিযুক্ত কংগ্ৰেছ দলৰ সৈতে জড়িত হৈ আছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত দলৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে অভিযোগ কৰি কয় যে যুৱ কংগ্ৰেছৰ তথ্য জনাৰ অধিকাৰ কোষৰ মুৰববীগৰাকী এই কাণ্ডৰ সৈতে জড়িত হৈ আছে। তেওঁ কংগ্ৰেছ নেতা দ্বীপেন্দৰ হুদাৰ ম'বাইলৰ পৰা অভিযুক্তজনৰ সবিশেষ পোৱা গৈছে বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে কংগ্ৰেছ দলে এই ঘটনাৰ লগত জড়িত অভিযোগ সন্দৰ্ভত উত্তৰ দিব লাগে। দিল্লী আৰক্ষীয়ে কালি অভিযান চলাই ৫ হাজাৰ ৬০০ কোটি টকাৰ অবৈধ ড্ৰাগ্‌ছ জব্দ কৰে।

০০০০০০০০০

গুৱাহাটীৰ সৰুসজাইৰ ক্ৰীড়া প্ৰকল্পত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে একাদশ সদৌ অসম ছিনিয়ৰ ল'ন বল ৰেংকিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসম, ল'ন বলিং সন্থাই এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

০০০০০০০০০

আই এছ এল ফুটবল প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাত ভূৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত ওড়িশা এফ চি - কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ মুখামুখি হ'ব। কেৰালা ব্লাষ্টাৰ্ছে ইয়াৰ পূৰ্বৰ খেলত নৰ্থ-ইষ্ট ইউনাইটেড এফ চিৰ বিৰুদ্ধে ১-১ গ'লত ড্ৰ' খেলি আই এছ এলৰ পইণ্ট তালিকাত পঞ্চম স্থান দখল কৰিছে। ইফালে ওড়িশা এফ চিয়ে জামছেদপুৰ এফ চিক ২-১ গ'লত পৰাজিত কৰি পইণ্ট তালিকাৰ দশম স্থান অধিকাৰ কৰিছে।

০০০০০০০০০

**সমাপ্ত**